পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

सत्यमेव जयते

# THE ASSAM GAZETTE

অসাধাৰণ

**EXTRAORDINARY**

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

**PUBLISHED BY THE AUTHORITY**

নং 429 দিশপুৰ, শুক্ৰবাৰ, 14 আগষ্ট, 2026, 23 শাওণ, 1948 (শক)

No. 429 Dispur, Friday, 14th August, 2026, 23rd Sravana, 1948 (S. E.)

GOVERNMENT OF ASSAM

ORDERS BY THE GOVERNOR

LEGISLATIVE DEPARTMENT : : : LEGISLATIVE BRANCH

**NOTIFICATION**

The 14th August, 2026

**No. LGL.166/2021/23.–** The following Act of the Assam Legislative Assembly which received the assent of the Hon'ble Governor of Assam on 12th August, 2026 is hereby published for general information.

## ASSAM ACT NO. XV OF 2026

**(Received the assent of the Hon'ble Governor of Assam on 12th August, 2026)**

# THE ASSAM MICRO, SMALL AND MEDIUM ENTERPRISES (FACILITATION OF ESTABLISHMENT AND OPERATION) ACT, 2026

# AN
# ACT

to provide facilitation for establishment and operation of micro, small and medium enterprises in the State of Assam and matters connected therewith and incidental thereto.

Preamble

WHEREAS, it is expedient to generate employment, promote entrepreneurship and accelerate economic growth in the State of Assam, and to facilitate the establishment and operation of micro, small and medium enterprises with time bound processing applications, deemed approval and digital infrastructure and for matters connected therewith and incidental thereto.

It is hereby enacted in the Seventy-seventh Year of the Republic of India as follows:–

Short title, extent and commencement

1. (1) This Act may be called the Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Act, 2026.

(2) It extends to the whole of the State of Assam.

(3) It shall come into force at once.

Definitions

2. In this Act, unless the context otherwise requires, -

(a) "Acknowledgement Certificate" means the certificate issued under section 7 of this Act, which shall serve as an approval for the period specified in section 9;

(b) "approval" means any permission, no-objection, clearance, consent, approval, registration, licence and the like, required under any State law in connection with the establishment or operation of an enterprise in the State of Assam;

(c) "Authority" means the Commissioner of Industries for the medium and small enterprises and General Manager of the district for the micro enterprises;

(d) "Commissioner" means the Commissioner of Industries and Commerce, Assam;

(e) "competent authority" means any department, agency, local authority, statutory body, State-owned corporation, Panchayati Raj Institution, Urban Local Body, Urban Development Authority or any other authority or agency constituted under any State law or under administrative control of the Government, entrusted with the power to grant or issue an approval for the establishment or operation of an enterprise in the State;

(f) "Deemed Acknowledgement Certificate" means the system-generated certificate automatically issued by the Single Window Portal upon failure of the concerned authority to issue an Acknowledgement Certificate within the specific period, and shall have the same legal force and effect as an Acknowledgement Certificate for the said purposes under this Act;

(g) "Declaration of Intent" means the declaration of intent submitted by an applicant to start an enterprise on the Single Window Portal under section 6;

(h) "eligible enterprise" means any micro, small or medium enterprise as defined under the Micro, Small and Medium Enterprises Development Act, 2006 to establish or operate within the State, except the enterprises falling under the Red Category as notified by the Assam State Pollution Control Board; Central Act No.27 of 2006

(i) "Enterprise" means a micro, small and medium enterprise as defined in the Micro, Small and Medium Enterprises Development Act, 2006; Central Act No.27 of 2006

(j) "General Manager" means the General Manager of the District Industries and Commerce Centre of the concerned district;

(k) "Government" means the Government of Assam;

(l) "notification" means a notification published in the Official Gazette, and the word "notified" shall be construed accordingly;

(m) "prescribed" means prescribed by rules made under this Act;

(n) "Single Window Portal" means the portal under Ease of Doing Business maintained by the Government of Assam, or such other portal as the Government may by notification designate, maintained for the purposes of this Act;

(o) "State" means the State of Assam;

(p) "Industrial Undertaking" means a solemn declaration and undertaking to be furnished by the owner of an enterprise in such form as may be prescribed by the Government for engagement in manufacturing or processing or both; or providing service or doing any other business or commercial activity for the compliance of the provisions of the Act.

State Level Processing Authority

3. Subject to the superintendence, direction and control of the Government the Commissioner of Industries shall be the State-Level Processing Authority for the purposes of this Act.

Powers and Functions of the Commissioner

4. The Commissioner shall exercise the following powers and functions, namely:—

(i) receive, examine and decide upon Declarations of Intent filed by Small and Medium Enterprises on the designated Single Window Portal, and to issue Acknowledgement Certificates within 7 (seven) working days from the date of receipt of a complete Declaration of Intent;

(ii) shall place before the Senior Most Secretary, Industries, Commerce and Public Enterprises Department, such reports and information as may be required for disposal of appeals as per section 13;

(iii) shall suo-moto review, or on reference examine, any order passed by the General Manager, and pass appropriate orders accordingly;

(iv) in the event of a natural disaster, epidemic or other public exigency notified by the Government, the Commissioner may, by order, temporarily suspend the issuance of Deemed Acknowledgement Certificates in the affected districts for a period not exceeding 60 (Sixty) days, which suspension shall lapse automatically thereafter unless extended by the Government. Enterprises affected by such suspension shall be entitled to a proportionate extension of their Acknowledgement Certificate validity; and

(v) shall exercise such other powers and functions as may be prescribed.

District Level Processing Authority and its powers and functions

5. (1) The General Manager of the Office of District Industrial and Commerce shall be the district-level processing authority for the purposes of this Act.

(2) The General Manager shall exercise the following powers and functions, namely:—

(i) shall receive, examine and decide upon Declarations of Intent submitted by Micro Enterprises on the designated Single Window Portal and shall issue Acknowledgement Certificates within 7 (Seven) working days from the date of receipt of a complete Declaration of Intent. If no action is taken within 7 (Seven) working days, the Portal shall automatically generate a Deemed Acknowledgement Certificate;

(ii) shall impose penalties and compound offences as per sections 10 and 12;

(iii) shall file complaints before the competent court for prosecution of offences under section 11;

(iv) shall maintain records of all Declarations of Intent and Certificates issued; and

(v) such other powers and functions as may be prescribed.

Filing of Declaration of Intent

6. (1) Any person who intends to establish an enterprise or work in the State may file a Declaration of Intent to start an enterprise state level on the Single Window Portal, along with an Undertaking, in the form and in such manner as may be prescribed.

(2) On receipt of a Declaration of Intent, the State Level Agency or District Level Agency in the Portal shall route the application to the General Manager, in case of a Micro Enterprise, and to the Commissioner, where the enterprise is a Small or Medium Enterprise, and shall issue an automated acknowledgement to the applicant.

(3) Notwithstanding anything contained in sub-section (1), above,

(i) enterprises falling under the Red Category as notified by the Assam State Pollution Control Board shall not be eligible to file a Declaration of Intent;

(ii) enterprises falling under the Orange Category may file a Declaration of Intent and avail the Acknowledgement Certificate for all approvals, except Consent to Establish and Consent to Operate, which shall be required to obtain directly from the Assam State Pollution Control Board; and

(iii) enterprises requiring Environmental Clearance under the Environment (Protection) Act, 1986 shall obtain such clearance from the competent authority prior to issuance of Acknowledgement Certificate and starting of construction work. Central Act 29 of 1986

Issuance of Acknowledgement Certificate

7. (1) On receipt of a complete Declaration of Intent and Undertaking, the concerned authority shall issue an Acknowledgement Certificate within 7 (Seven) working days. If the application is found incomplete, the concerned authority shall return it within 5 (Five) working days with a statement of deficiencies and the timeline shall start from the date of resubmission.

(2) If the concerned authority fails to issue the Acknowledgement Certificate within the period specified in sub-section (1) above, the Single Window Portal shall automatically generate a Deemed Acknowledgement Certificate, which shall have the same legal force and effect as an Acknowledgement Certificate for all purposes under this Act.

(3) The Acknowledgement Certificate or the Deemed Acknowledgement Certificate, as the case may be, shall be issued in the form as may be prescribed.

(4) If there is any Change in the name or constitution of the firm, or transfer of the project to a new promoter, the enterprise shall intimate to the General Manager of the concerned district within 30 (thirty) days of such change and the authority shall issue revised Certificate within 7 (Seven) working days of such intimation.

Exemption from inspection

8. (1) On receipt of an Acknowledgement Certificate or a Deemed Acknowledgement Certificate as per section 7, an enterprise shall be entitled to have an inspection-free period of 3 (three) years from the date of such issuance, during which no officer or inspector of the State Government or any Competent Authority shall conduct any inspection, visit, survey, audit or enquiry at the premises of the enterprise.

(2) Notwithstanding anything contained in sub-section (1), an inspection during the inspection-free period may be conducted only upon:—

(a) a specific written complaint alleging contravention of a condition of the Acknowledgement Certificate or the Undertaking have been received by the Authority;

(b) on prior written authorisation of the General Manager of the concerned district; and

(c) a written notice for inspection of not less than 7 (Seven) working days to the enterprise, specifying the date, time, scope and the officer authorised to conduct the inspection.

(3) The provisions of sub-sections (1) and (2) shall not apply where:—

(i) there is an imminent and credible threat to public safety, fire safety or environmental safety, and the Commissioner has granted prior written approval for immediate inspection; or

(ii) an inspection has been ordered by a court of competent jurisdiction:

Provided that nothing in this section shall affect the power of any authority under a Central Act to conduct inspections as may be authorised by such Central Act.

Effect of Acknowledgement Certificate

9. An Acknowledgement Certificate issued pursuant to section 7 shall be deemed for all purposes to be an approval under clause (b) of section 2, and shall remain in force for a period of 3 (three) years from the date of its issuance and after the expiry of the said period of 3

(three) years, the enterprise shall have to obtain required approval under relevant laws within six months from the date of expiry:

Provided that the enterprise may apply for necessary permissions prior to the expiry of the said period of 3 (three) years.

Offences and Penalties

10. (1) If the Commissioner or the General Manager finds that any enterprise has contravened the conditions of the Acknowledgement Certificate or the Undertaking, it shall be liable to a fine not exceeding rupees five lakhs.

(2) Where an offence is committed by an enterprise, every person in charge of, and responsible to, the enterprise for the conduct of its business at the time of commission of the offence shall also be deemed to be guilty of the offence and liable to be proceeded against accordingly.

(3) Notwithstanding anything contained in sub-section (1), where an offence has been committed with the consent or connivance of, or is attributable to the neglect of, the proprietor, managing partner, director, manager, secretary or any other officer of the enterprise, such person shall also be deemed to be guilty and liable to be proceeded against accordingly.

(4) For persistent or repeated violations, Commissioner or the General Manager as the case may be, after giving an opportunity of being heard, cancel the Acknowledgement Certificate.

Explanation– For the purposes of this section, 'enterprise' means anybody corporate and includes a firm, individual or other association of individuals; and 'director', in relation to a firm, means a partner in the firm.

Prosecution

11. (1) No court shall take cognizance of an offence under this Act except upon a complaint in writing made by the Commissioner or the General Manager or any officer authorised by him in this behalf.

(2) No court inferior to that of a Judicial Magistrate of the First Class shall try any offence under this Act.

Compounding of Offences

12. (1) Any offence prescribed as compoundable may be compounded by the General Manager on payment of such sum, not exceeding fifty per centum of the maximum fine inflicted, as the General Manager may determine.

(2) Where additional construction area exceeds the declared area but is within permissible building norms, no compounding charges shall be levied; only the differential approval fee shall be payable in such manner as may be prescribed.

(3) An order of compounding shall not bar recovery of fees, charges or penalties due to other Competent Authorities under the respective Acts.

Appeals

13\. (1) Any Enterprise aggrieved by an order of the General Manager or the Commissioner under this Act may prefer a first appeal to the Secretary, Industries, Commerce and Public Enterprises Department, Government of Assam, within 30 days and the appeal shall be heard in such manner as may be prescribed.

(2) Where the Secretary fails to dispose of the first appeal within the prescribed period, the aggrieved enterprise may prefer a second appeal before the Senior Most Secretary of the Industries, Commerce and Public Enterprises Department and such second appeal shall be disposed of within the period of 60 days from the date of receipt of such application of appeal.

(3) Pending disposal of an appeal under this section, the enterprise shall be entitled to continue its operations unless the appellate authority, for reasons to be recorded in writing, directs otherwise on grounds of imminent threat to public safety or environment.

Protection of action taken in good faith

14\. No suit, prosecution or other legal proceeding shall lie against any member of the service for anything which is in good faith done or intended to be done in pursuance of this Act.

Officers to be public servants

15\. Every Officer acting under the provisions of this Act shall be deemed to be a public servant within the meaning of sub-section (28) of section 2 of the Bharatiya Nyaya Sanhita, 2023. Central Act No. 45 of 2023

Act to override other State laws

16\. (1) Notwithstanding anything inconsistent therewith contained in any other state law for the time being in force, the provisions of this Act shall apply.

(2) In particular and without prejudice to the generality of the foregoing provisions of this Act, such provisions shall have effect notwithstanding anything inconsistence therewith contained in the following enactments and the provisions of this enactments shall be read as amended in conformity with the provisions this Act, namely:-

(a) Assam Panchayat Act, 1994; Assam Act No. XVIII of 1994

(b) Assam Municipal Act, 1956; Assam Act No. XV of 1957

(c) Assam Shops and Establishments Act, 2025; Assam Act No. III of 2025

(d) Assam Fire Service Act, 2025; Assam Act No. LIII of 2025

(e) Assam Building Construction (Regulation) Act, 2010. Assam Act No. XVI of 2010

Digital infrastructure mandate

17. (1) All Declarations of Intent, Acknowledgement Certificates, Deemed Acknowledgement Certificates and communications under this Act shall be processed through the Single Window Portal, which shall be integrated with the National Single Window System of the Government of India.

(2) The Single Window Portal shall maintain a time-stamped audit trail of every action taken in processing a Declaration of Intent. The Single Window shall perform its functions in such form and manner as may be prescribed.

Power to remove difficulties

18. If any difficulty arises in giving effect to the provisions of this Act, the Government may, by order published in the Official Gazette, make such provisions not inconsistent with this Act as may appear necessary for removing the difficulty:

Provided that no such order shall be made after the expiry of two years from the date of commencement of this Act.

Power to make rules

19. (1) The Government may, by notification in the Official Gazette, make rules, for carrying out the provisions of this Act.

(2) In particular and without prejudice to the generality of the forgoing power, such rules may provide for all or any of the following matters, namely:—

(a) powers and functions of Commissioner under clause (v) of section 4;

(b) powers and functions of the General Manager under clause (v) of sub-section (2) of section 5;

(c) Form of declaration to be furnished by the enterprise under sub-section (1) of section 6;

(d) form of Acknowledgement Certificate or Deemed Acknowledgement Certificate under sub-section (3) of section 7;

(e) manner of fine for compounding offences under sub-section (2) of section 12;

(f) manner of hearing of first appeal under sub-section (1) of section 13;

(h) form and manner of functioning of the Single Window Portal under sub-section (2) of section 18;

(i) any other matter which is required to be, or may be prescribed.

Repeal and savings

20. (1) The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) Act, 2020 is hereby repealed. Assam Act No. XIV of 2020

(2) Notwithstanding such repeal, anything done or any action taken under the repealed Act, be deemed to have been done or taken under the corresponding provisions of this Act.

(3) The repeal of the repealed Act shall not affect any right, title, privilege, obligation or liability acquired, accrued or incurred thereunder, and any investigation, legal proceeding or remedy in respect thereof may be instituted, continued or enforced as if this Act had not been enacted.

**MEHBOOBA BEGUM,**
Joint Secretary (Secretary In Charge) to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

## ২০২৬ চনৰ অসম অধিনিয়ম নং ১৫

**(২০২৬ চনৰ ১২ আগষ্ট তাৰিখে অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)**

# অসম সুক্ষ্ম, লঘু আৰু মধ্যম উদ্যম (স্থাপন আৰু পৰিচালনাৰ সুবিধা) অধিনিয়ম, ২০২৬

**এখন**

**অধিনিয়ম**

**১৪ আগষ্ট, ২০২৬**

অসম ৰাজ্যত সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম স্থাপন আৰু পৰিচালনা আৰু ইয়াৰ সৈতে জড়িত আৰু আনুষংগিক বিষয়সমূহৰ বাবে সুবিধা উপবন্ধিত কৰিবলৈ।

প্ৰস্তাৱনা — যিহেতু, অসম ৰাজ্যত নিয়োগ সৃষ্টি কৰা, উদ্যমিতাক প্ৰসাৰিত কৰা আৰু অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰা, আৰু আবেদনৰ সময়বদ্ধ প্ৰক্ৰিয়াকৰণ, স্বয়ংক্ৰিয় অনুমোদন আৰু ডিজিটেল আন্তঃগাঁথনিসহ আৰু ইয়াৰ সৈতে জড়িত আৰু আনুষঙ্গিক বিষয়সমূহক কাৰ্যক্ষম কৰি সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম স্থাপন আৰু পৰিচালনাত সহায় কৰাটো কালোচিত;

ইয়াক ভাৰত গণৰাজ্যৰ সাতসত্তৰতম্ বৰ্ষত নিম্নলিখিত ধৰণে অধিনিয়মিত কৰা হৈছে:-

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ — ১। (১) এই অধিনিয়মখন অসম সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম (স্থাপন আৰু পৰিচালনাৰ সুবিধা) অধিনিয়ম, ২০২৬ বুলি অভিহিত হ'ব।

(২) ই সমগ্ৰ অসম ৰাজ্যতে বিস্তাৰিত হ'ব।

(৩) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব।

পৰিভাষা — ২। এই অধিনিয়মত, যদিহে প্ৰসংগক্ৰমে অন্যথা অপেক্ষিত নহয়, -

(ক) "স্বীকৃতি প্ৰমাণপত্ৰ" মানে এই অধিনিয়মৰ ধাৰা ৭-ৰ অধীনত জাৰি কৰা প্ৰমাণপত্ৰ, যি ধাৰা ৯-ত নিৰ্ধাৰিত অৱধিৰ বাবে এক অনুমোদন হিচাপে কাম কৰিব;

(খ) "অনুমোদন" মানে অসম ৰাজ্যত কোনো উদ্যম স্থাপন বা পৰিচালনাৰ সৈতে জড়িত কোনো ৰাজ্যিক বিধিৰ অধীনত প্ৰয়োজনীয় কোনো অনুমতিপত্ৰ, অনাপত্তি প্ৰমাণপত্ৰ, দায়মুক্ত প্ৰমাণপত্ৰ, সন্মতি পত্ৰ, অনুমোদন, পঞ্জীয়ন, অনুজ্ঞাপত্ৰ ইত্যাদি;

(গ) "প্ৰাধিকাৰী" মানে মধ্যম আৰু লঘু উদ্যমৰ বাবে উদ্যোগৰ আয়ুক্ত আৰু সূক্ষ্ম উদ্যমৰ বাবে জিলাৰ মহাপ্ৰবন্ধক;

(ঘ) "আয়ুক্ত" মানে অসমৰ উদ্যোগ আৰু বাণিজ্যৰ আয়ুক্ত;

(ঙ) "ক্ষমতাসম্পন্ন প্ৰাধিকাৰী" মানে কোনো বিভাগ, অভিকৰণ, স্থানীয় প্ৰাধিকাৰী, সংবিধিবদ্ধ নিকায়, ৰাষ্ট্ৰীয় মালিকানাধীন নিগম, পঞ্চায়তী ৰাজ প্ৰতিষ্ঠান, নগৰীয়া স্থানীয় নিকায়, নগৰ উন্নয়ন প্ৰাধিকাৰী বা ৰাজ্যিক বিধিৰ অধীনত গঠিত বা চৰকাৰৰ প্ৰশাসনিক নিয়ন্ত্ৰণত থকা কোনো অন্য প্ৰাধিকৰণ বা অভিকৰণ, যাক ৰাজ্যত কোনো উদ্যম স্থাপন বা পৰিচালনাৰ বাবে এক অনুমোদন প্ৰদান বা জাৰি কৰাৰ ক্ষমতা অৰ্পণ কৰা হয়;

(চ) "স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰ" মানে বিহিত সময়সীমাৰ ভিতৰত সংশ্লিষ্ট প্ৰাধিকাৰীয়ে স্বীকৃতি প্ৰমাণপত্ৰ প্ৰদান কৰাত ব্যৰ্থ হোৱাৰ ক্ষেত্ৰত একক খিৰিকী যুক্ত পৰ্টেলৰ দ্বাৰা স্বয়ংক্ৰিয়ভাৱে জাৰিকৃত প্ৰণালীৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰমাণপত্ৰ, আৰু যিখনৰ এই অধিনিয়মৰ অধীনত সকলো উদ্দেশ্যৰ বাবে স্বীকৃতি প্ৰমাণপত্ৰৰ দৰে একে আইনী বৈধতা আৰু কাৰ্যকাৰিতা থাকিব;

(ছ) "অভিপ্ৰায়ৰ ঘোষণা" মানে ধাৰা ৬-ৰ অধীনত একক খিৰিকী যুক্ত পৰ্টেলত কোনো আবেদনকাৰীয়ে দাখিল কৰা এক উদ্যম আৰম্ভ কৰাৰ অভিপ্ৰায়ৰ ঘোষণা;

(জ) "যোগ্য উদ্যম" মানে ৰাজ্যত স্থাপন বা পৰিচালনা কৰা সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম বিকাশ অধিনিয়ম, ২০০৬-ৰ অধীনত পৰিভাষিত কোনো সূক্ষ্ম, লঘু বা মধ্যম উদ্যম ,কিন্তু ইয়াত অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ দ্বাৰা অধিসূচিত ৰঙা শ্ৰেণীৰ ভিতৰত পৰা উদ্যমসমূহ অন্তৰ্ভুক্ত নহয়; ২০০৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ২৭

(ঝ) "উদ্যম" মানে সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম বিকাশ অধিনিয়ম, ২০০৬ ত যথা পৰিভাষিত- এক সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম; ২০০৬ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ২৭

(ঞ) "মহাপ্ৰবন্ধক" মানে সংশ্লিষ্ট জিলাৰ জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক;

(ট) "চৰকাৰ" মানে অসম চৰকাৰ;

(ঠ) "অধিসূচনা" মানে চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত অধিসূচনা, আৰু শব্দ "অধিসূচিত" তদানুসাৰে ব্যাখ্যা কৰা হ'ব;

(ড) "বিহিত" মানে এই অধিনিয়মৰ অধীনত প্ৰণীত নিয়মাৱলী দ্বাৰা বিহিত;

(ণ) "একক খিৰিকীযুক্ত পৰ্টেল" মানে অসম চৰকাৰৰ অধীনস্থ ব্যৱসায় সুচলতা পৰ্টেল, বা এই অধিনিয়মৰ উদ্দেশ্যৰ বাবে ৰক্ষণাবেক্ষণ কৰা আন কোনো পৰ্টেল যিটো চৰকাৰে অধিসূচনাৰ দ্বাৰা মনোনীত কৰিব পাৰে;

(ত) "ৰাজ্য" মানে অসম ৰাজ্য ;

(থ) "ঔদ্যোগিক প্ৰতিশ্ৰুতিপত্ৰ" মানে কোনো উদ্যমৰ মালিকে চৰকাৰৰ দ্বাৰা নিৰ্ধাৰণ কৰা ধৰণে নিৰ্মাণ বা প্ৰক্ৰিয়াকৰণ বা দুয়োটা কামতে নিয়োজিত হোৱাৰ বাবে দিয়া নিষ্ঠাপূৰ্বক ঘোষণা আৰু প্ৰতিশ্ৰুতি; বা সেৱা প্ৰদান কৰা বা অধিনিয়মৰ উপবন্ধাৱলী মানি চলাৰ বাবে আন যিকোনো ব্যৱসায়িক বা বাণিজ্যিক কাৰ্যকলাপ কৰা।

**ৰাজ্যিক পৰ্যায়ৰ প্ৰক্ৰিয়াকৰণ প্ৰাধিকাৰী**

৩। চৰকাৰৰ তত্বাৱধান, নিৰ্দেশনা আৰু নিয়ন্ত্ৰণৰ সাপেক্ষে এই অধিনিয়মৰ উদ্দেশ্যৰ বাবে উদ্যোগ আয়ুক্ত ৰাজ্যিক পৰ্যায়ৰ প্ৰক্ৰিয়াকৰণ প্ৰাধিকাৰী হ'ব ।

**আয়ুক্তৰ ক্ষমতা আৰু কাৰ্য্য**

৪। আয়ুক্তই নিম্নলিখিত ক্ষমতা প্ৰয়োগ আৰু কাৰ্যসমূহ সম্পাদন কৰিব, যথা:-

(i) মনোনীত একক খিৰিকীযুক্ত পৰ্টেলত লঘু আৰু মধ্যম উদ্যমে দাখিল কৰা অভিপ্ৰায়ৰ ঘোষণা গ্ৰহণ, পৰীক্ষা আৰু ইয়াৰ ওপৰত সিদ্ধান্ত ল'ব, আৰু এক সম্পূৰ্ণ অভিপ্ৰায়ৰ ঘোষণা লাভ কৰাৰ তাৰিখৰ পৰা ৭ (সাত) কৰ্মদিনৰ ভিতৰত স্বীকৃতি প্ৰমাণপত্ৰ জাৰি কৰিব;

(ii) ধাৰা ১৩ অনুসৰি আপীলৰ নিষ্পত্তিৰ বাবে যথা প্ৰয়োজনীয় প্ৰতিবেদন আৰু তথ্য- উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ জ্যেষ্ঠতম সচিবৰ সন্মুখত দাখিল কৰিব;

(iii) মহাপ্ৰবন্ধকে পাৰিত কৰা কোনো আদেশ স্ববিবেচনাৰে পুনৰীক্ষণ কৰিব বা প্ৰসংগৰ ভিত্তিত পৰীক্ষা কৰিব আৰু তদনুসাৰে উপযুক্ত আদেশ পাৰিত কৰিব;

(iv) চৰকাৰে অৱগত কৰা প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী বা অন্যান্য ৰাজহুৱা জৰুৰী অৱস্থাৰ ক্ষেত্ৰত, আয়ুক্তই আদেশৰ জৰিয়তে, ক্ষতিগ্ৰস্ত জিলাসমূহত স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰ প্ৰদান কৰাটো ৬০ (ষাঠি) দিনতকৈ অনধিক সময়ৰ বাবে সাময়িকভাৱে স্থগিত ৰাখিব পাৰে, যিটো স্থগিতাদেশ চৰকাৰে সম্প্ৰসাৰণ নকৰালৈকে স্বয়ংক্ৰিয়ভাৱে সমাপ্ত হ'ব। এনে স্থগিতাদেশৰ দ্বাৰা প্ৰভাৱিত উদ্যমসমূহ তেওঁলোকৰ স্বীকৃতি প্ৰমাণপত্ৰৰ বৈধতা সমানুপাতিকভাৱে বৃদ্ধি কৰাৰ অধিকাৰী হ'ব; আৰু

(v) যথাবিহিত এনে অন্যান্য ক্ষমতা প্ৰয়োগ আৰু কাৰ্যসমূহ সম্পাদন কৰিব।

জিলা পৰ্যায়ৰ প্ৰক্ৰিয়াকৰণ প্ৰাধিকাৰী আৰু ইয়াৰ ক্ষমতা আৰু কাৰ্য্য

৫। (১) এই অধিনিয়মৰ উদ্দেশ্যৰ বাবে জিলা ঔদ্যোগিক আৰু বাণিজ্যৰ কাৰ্য্যালয়ৰ মহাপ্ৰবন্ধক জিলা পৰ্যায়ৰ প্ৰক্ৰিয়াকৰণ প্ৰাধিকাৰী হ'ব।

(২) মহা প্ৰবন্ধকে নিম্নলিখিত ক্ষমতা প্ৰয়োগ আৰু কাৰ্যসমূহ সম্পাদন কৰিব, যথা:-

(i) মনোনীত একক খিৰিকীযুক্ত পৰ্টেলত সূক্ষ্ম উদ্যমে দাখিল কৰা অভিপ্ৰায়ৰ ঘোষণা গ্ৰহণ, পৰীক্ষা আৰু ইয়াৰ ওপৰত সিদ্ধান্ত ল'ব আৰু এক সম্পূৰ্ণ অভিপ্ৰায়ৰ ঘোষণা লাভ কৰাৰ তাৰিখৰ পৰা ৭ (সাত) কৰ্মদিনৰ ভিতৰত স্বীকৃতি প্ৰমাণপত্ৰ জাৰি কৰিব। যদি ৭ (সাত) কৰ্মদিনৰ ভিতৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে পৰ্টেলটোৱে স্বয়ংক্ৰিয়ভাৱে স্বীকৃতি প্ৰমাণপত্ৰ সৃষ্টি কৰিব;

(ii) ধাৰা ১০ আৰু ১২ অনুসৰি দণ্ড আৰোপ কৰিব আৰু অপৰাধ মীমাংসা কৰিব;

(iii) ধাৰা ১১ৰ অধীনত অপৰাধৰ অভিযোজনৰ বাবে ক্ষমতাসম্পন্ন ন্যায়ালয়ৰ সন্মুখত অভিযোগ দাখিল কৰিব লাগিব;

(iv) জাৰিকৃত সকলো অভিপ্ৰায়ৰ ঘোষণা আৰু প্ৰমাণপত্ৰৰ অভিলেখ ৰক্ষণাবেক্ষণ কৰিব; আৰু

(v) যথাবিহিত অন্যান্য ক্ষমতা আৰু কাৰ্যসমূহ।

অভিপ্ৰায়ৰ ঘোষণাপত্ৰ দাখিলকৰণ

৬। (১) ৰাজ্যখনত এক উদ্যম স্থাপন বা পৰিচালনা কৰাৰ ইচ্ছা কৰা কোনো ব্যক্তিয়ে একক খিৰিকীযুক্ত পৰ্টেলত বিহিত প্ৰপত্ৰত আৰু এনে ধৰণে এক প্ৰতিশ্ৰুতিপত্ৰৰ সৈতে এক অভিপ্ৰায়ৰ ঘোষণাপত্ৰ দাখিল কৰিব পাৰে।

(২) অভিপ্ৰায়ৰ ঘোষণাপত্ৰ গ্ৰহণ কৰাৰ পিছত, পৰ্টেলত ৰাজ্যিক পৰ্যায়ৰ অভিকৰণ বা জিলা পৰ্যায়ৰ অভিকৰণে আবেদনখন সূক্ষ্ম উদ্যমৰ ক্ষেত্ৰত মহাপ্ৰৱন্ধকলৈ আৰু, য'ত উদ্যমটো এটা লঘু বা মধ্যম উদ্যম হয়, আয়ুক্তলৈ প্ৰেৰণ কৰিব আৰু আবেদনকাৰীক স্বয়ংক্ৰিয়ভাৱে স্বীকৃতি প্ৰদান কৰা হ'ব।

(৩) ওপৰৰ উপ-ধাৰা (১) ত থকা যিকোনো কথা থকা সত্ত্বেও,

(i) অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে যথা অধিসূচিত কৰা অনুসৰি ৰঙা শ্ৰেণীৰ অন্তৰ্গত উদ্যমসমূহে এক অভিপ্ৰায়ৰ ঘোষণাপত্ৰ দাখিল কৰাৰ যোগ্য নহ'ব;

(ii) কমলা শ্ৰেণীৰ অন্তৰ্গত উদ্যমে এক অভিপ্ৰায়ৰ ঘোষণাপত্ৰ দাখিল কৰিব পাৰে আৰু সকলো অনুমোদনৰ বাবে স্বীকৃতি প্ৰমাণপত্ৰ লাভ কৰিব পাৰে, কেৱল স্থাপন

আৰু পৰিচালনা কৰিবলৈ সন্মতিৰ বাহিৰে, যিটো পোনপটীয়াকৈ অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ পৰা লাভ কৰাটো প্ৰয়োজনীয় হ'ব ; আৰু

(iii) পৰিৱেশ (সুৰক্ষা) অধিনিয়ম, ১৯৮৬ৰ অধীনত পৰিৱেশ দায়মুক্ত প্ৰমাণ পত্ৰ প্ৰয়োজন হোৱা উদ্যমসমূহে স্বীকৃতি প্ৰমাণপত্ৰ প্ৰদান আৰু নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ আগতে ক্ষমতাসম্পন্ন প্ৰাধিকাৰীৰ পৰা এনে দায়মুক্ত প্ৰমাণ পত্ৰ লাভ কৰিব লাগিব। ১৯৮৬ ৰ কেন্দ্ৰীয় অধিনিয়ম ২৯

স্বীকৃতি প্ৰমাণপত্ৰ জাৰিকৰণ

৭। (১) এক সম্পূৰ্ণ অভিপ্ৰায়ৰ ঘোষণাপত্ৰ আৰু প্ৰতিশ্ৰুতি পত্ৰ লাভ কৰাৰ লগে লগে, সংশ্লিষ্ট প্ৰাধিকাৰীয়ে ৭ (সাত) কৰ্মদিনৰ ভিতৰত এক স্বীকৃতি প্ৰমাণপত্ৰ জাৰি কৰিব লাগিব। যদি আবেদনখন অসম্পূৰ্ণ বুলি ধৰা পৰে, তেন্তে সংশ্লিষ্ট প্ৰাধিকাৰীয়ে ৫ (পাঁচ) কৰ্মদিনৰ ভিতৰত ক্ৰটীৰ এক বিবৃতিৰে সৈতে ঘূৰাই দিব লাগিব আৰু পুনঃ দাখিল কৰাৰ তাৰিখৰ পৰা সময়সীমা আৰম্ভ হ'ব।

(২) যদি সংশ্লিষ্ট প্ৰাধিকাৰীয়ে ওপৰৰ উপ-ধাৰা (১)ত উল্লেখ কৰা সময়সীমাৰ ভিতৰত স্বীকৃতি প্ৰমাণপত্ৰ প্ৰদান কৰিব নোৱাৰে, তেন্তে একক খিৰিকীযুক্ত পৰ্টেলটোৱে স্বয়ংক্ৰিয়ভাৱে স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰ সৃষ্টি কৰিব, যাৰ আইনী বৈধতা আৰু কাৰ্যকাৰিতা এই অধিনিয়মৰ অধীনত সকলো উদ্দেশ্যৰ বাবে এক স্বীকৃতি প্ৰমাণপত্ৰৰ দৰে একে হ'ব।

(৩) স্বীকৃতিৰ প্ৰমাণপত্ৰ বা, স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰ, যথাস্থিতি, যথাবিহিত ৰূপত জাৰি কৰা হ'ব।

(৪) যদি ফাৰ্মৰ নাম বা গঠনৰ কোনো পৰিৱৰ্তন হয়, বা প্ৰকল্পটো নতুন সংপ্ৰৱৰ্ত্তকলৈ হস্তান্তৰ কৰা হয়, তেন্তে উদ্যমটোৱে এনে পৰিৱৰ্তনৰ ৩০ (ত্ৰিশ) দিনৰ ভিতৰত সংশ্লিষ্ট জিলাৰ মহাপ্ৰবন্ধকক অৱগত কৰিব লাগিব আৰু প্ৰাধিকাৰীয়ে এনে জাননীৰ ৭ (সাত) কৰ্মদিনৰ ভিতৰত সংশোধিত প্ৰমাণপত্ৰ প্ৰদান কৰিব লাগিব।

পৰিদৰ্শনৰ পৰা ৰেহাই

৮। (১) ধাৰা ৭ অনুসৰি এক স্বীকৃতি প্ৰমাণপত্ৰ বা স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰ লাভ কৰাৰ লগে লগে, কোনো উদ্যমে এনে জাৰি কৰাৰ তাৰিখৰ পৰা ৩ (তিনি) বছৰৰ পৰিদৰ্শন-মুক্ত সময়সীমাৰ অধিকাৰী হ'ব, যি সময়ছোৱাত ৰাজ্য চৰকাৰ বা কোনো ক্ষমতাসম্পন্ন প্ৰাধিকৰণৰ কোনো বিষয়া বা পৰিদৰ্শকে উদ্যমৰ চৌহদত কোনো পৰিদৰ্শন, দৰ্শন, জৰীপ, হিচাপ পৰীক্ষা বা তদন্ত কৰিব নোৱাৰিব।

(২) উপ-ধাৰা (১)ত কোনো কথা থকা সত্ত্বেও, পৰিদৰ্শন-মুক্ত সময়ছোৱাত কেৱল তেতিয়াহে পৰিদৰ্শন কৰিব পাৰি যেতিয়া:-

(ক) স্বীকৃতি প্ৰমাণপত্ৰ বা প্ৰতিশ্ৰুতিপত্ৰৰ কোনো চৰ্ত উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰা এক নিৰ্দিষ্ট লিখিত অভিযোগ প্ৰাধিকাৰীয়ে লাভ কৰিছে ;

(খ) সংশ্লিষ্ট জিলাৰ মহাপ্ৰবন্ধকৰ পূৰ্ব লিখিত অনুমোদন সাপেক্ষে ; আৰু

(গ) পৰিদৰ্শনৰ তাৰিখ, সময়, পৰিসৰ আৰু পৰিদৰ্শন কৰিবলৈ প্ৰাধিকৃত বিষয়া বিনিৰ্দিষ্ট কৰি উদ্যমটোক পৰিদৰ্শনৰ বাবে কমেও ৭ (সাত) কৰ্মদিনৰ লিখিত জাননী প্ৰেৰণ কৰিব লাগিব।

(৩) উপ-ধাৰা (১) আৰু (২)ৰ উপবন্ধাৱলী প্ৰযোজ্য নহ'ব য'ত:-

(i) ৰাজহুৱা সুৰক্ষা, অগ্নিনিৰ্বাপক সুৰক্ষা বা পৰিৱেশ সুৰক্ষাৰ বাবে আসন্ন আৰু বিশ্বাসযোগ্য ভাবুকি আছে, আৰু আয়ুক্তই তাৎক্ষণিক পৰিদৰ্শনৰ বাবে আগতীয়া লিখিত অনুমোদন প্ৰদান কৰিছে; বা

(ii) ক্ষমতাসম্পন্ন অধিকাৰক্ষেত্ৰ থকা ন্যায়ালয়ৰ দ্বাৰা পৰিদৰ্শনৰ আদেশ দিয়া হৈছে:

পৰন্তু এই ধাৰাৰ কোনো কথাই এনে কেন্দ্ৰীয় অধিনিয়মৰ দ্বাৰা প্ৰাধিকৃত পৰিদৰ্শন চলোৱাৰ বাবে কোনো কেন্দ্ৰীয় অধিনিয়মৰ অধীনত কোনো প্ৰাধিকাৰীৰ ক্ষমতাক প্ৰভাৱিত নকৰে।

**স্বীকৃতি প্ৰমাণপত্ৰৰ প্ৰভাৱ**

৯। ধাৰা ৭ অনুসৰি জাৰি কৰা স্বীকৃতি প্ৰমাণপত্ৰক সকলো উদ্দেশ্যৰ বাবে ধাৰা ২ ৰ খণ্ড (খ)ৰ অধীনৰ এক অনুমোদন বুলি গণ্য কৰা হ'ব, আৰু ই জাৰি কৰাৰ তাৰিখৰ পৰা ৩ (তিনি) বছৰৰ বাবে বলবৎ থাকিব আৰু উক্ত ৩ (তিনি) বছৰৰ ম্যাদ উকলি যোৱাৰ পিছত, উদ্যমটোৱে ম্যাদ উকলি যোৱাৰ তাৰিখৰ পৰা ছমাহৰ ভিতৰত সংশ্লিষ্ট বিধিসমূহৰ অধীনত প্ৰয়োজনীয় অনুমোদন লাভ কৰিব লাগিব:

পৰন্তু উদ্যমে উক্ত ৩ (তিনি) বছৰৰ সময়সীমা শেষ হোৱাৰ আগতে প্ৰয়োজনীয় অনুমতিৰ বাবে আবেদন কৰিব পাৰিব।

**অপৰাধ আৰু দণ্ড**

১০। (১) যদি আয়ুক্ত বা মহাপ্ৰবন্ধকে- কোনো উদ্যমে স্বীকৃতি প্ৰমাণপত্ৰ বা প্ৰতিশ্ৰুতিপত্ৰৰ চৰ্তাৱলী উলংঘা কৰা বুলি বিবেচনা কৰে, তেন্তে ই পাঁচ লাখ টকাতকৈ অধিক নোহোৱা জৰিমনাৰ বাবে দায়ী হ'ব।

(২) য'ত কোনো উদ্যমৰ দ্বাৰা অপৰাধ সংঘটিত হয়, তেনে ক্ষেত্ৰত অপৰাধ সংঘটিত হোৱাৰ সময়ত সেই উদ্যমৰ দায়িত্বত থকা আৰু ব্যৱসায় পৰিচালনাৰ বাবে উদ্যমৰ প্ৰতি দায়বদ্ধ প্ৰতিজন ব্যক্তিক উক্ত অপৰাধৰ বাবে দোষী বুলি গণ্য কৰা হ'ব আৰু সেই অনুসৰি তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(৩) উপ(১) ধাৰা- ত কোনো কথা থকা স্বত্বেও, য'ত কোনো উদ্যমৰ মালিক, পৰিচালন অংশীদাৰ, সঞ্চালক, প্ৰৱন্ধক, সচিব বা অন্য কোনো বিষয়াৰ সন্মতি বা গোপন বুজা বুজি বা অৱহেলাৰ বাবে- কোনো অপৰাধ সংঘটিত কৰা হয়, তেনে ব্যক্তিকো দোষী বুলি গণ্য কৰা হ'ব আৰু সেই অনুসৰি তেওঁৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(৪) ধাৰাবহিক বা সঘনাই উলংঘণ কৰাৰ বাবে ,আয়ুক্ত বা মহাপ্ৰবন্ধকয়ে,যথাস্থিতি , শুনানিৰ এক সুযোগ প্ৰদান কৰাৰ পিছত স্বীকৃতি প্ৰমাণপত্ৰ বাতিল কৰিব পাৰে।

স্পষ্টীকৰণ- এই ধাৰাৰ উদ্দেশ্যে, 'উদ্যম' মানে যিকোনো নিগম নিকায় আৰু ইয়াৰ ভিতৰত কোনো ফাৰ্ম, ব্যক্তি বা ব্যক্তিসকলৰ অন্য কোনো সংস্থাও অন্তৰ্ভুক্ত হয়; আৰু এখন ফাৰ্মৰ ক্ষেত্ৰত, "সঞ্চালক" মানে ফাৰ্মখনৰ এজন অংশীদাৰ।

অভিযোজন ১১। (১) আয়ুক্ত বা মহাপ্ৰবন্ধক বা এই মৰ্মে তেওঁৰ দ্বাৰা প্ৰাধিকৃত যিকোনো বিষয়াই কৰা লিখিত অভিযোগৰ বাহিৰে কোনো আদালতে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ সংজ্ঞান ল'ব নোৱাৰিব।

(২) প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশতকৈ নিম্নমানৰ কোনো আদালতে এই অধিনিয়মৰ অধীনত কোনো অপৰাধৰ বিচাৰ কৰিব নোৱাৰিব।

অপৰাধৰ আপোচ যোগ্যতা ১২। (১) আপোচ যোগ্য বুলি নিৰ্ধাৰিত যিকোনো অপৰাধ মহা প্ৰবন্ধকে নিৰ্ধাৰণ কৰা অনুসৰি সৰ্বোচ্চ জৰিমনাৰ পঞ্চাশ শতাংশতকৈ অধিক নোহোৱা ধনৰাশি পৰিশোধ কৰাৰ বিনিময়ত মহাপ্ৰবন্ধকৰ দ্বাৰা আপোচ কৰিব পৰা যাব।

(২) য'ত অতিৰিক্ত নিৰ্মাণ এলেকা ঘোষিত এলেকাতকৈ অধিক হয় কিন্তু অনুমোদিত ভৱন নিৰ্মাণৰ নিয়মসমূহৰ ভিতৰত থাকে, তাত কোনো আপোচ মাচুল আৰোপ কৰা নহ'ব; কেৱল পাৰ্থক্যসূচক অনুমোদন মাচুলহে যথাবিহিত ধৰণে প্ৰদান কৰিব লাগিব।

(৩) আপোচৰ কোনো আদেশ সংশ্লিষ্ট অধিনিয়মসমূহৰ অধীনত অন্যান্য ক্ষমতাসম্পন্ন প্ৰাধিকাৰীক প্ৰাপ্য মাচুল, খৰছ বা জৰিমনা আদায় কৰাত বাধা দিব নোৱাৰিব ।

আপীল ১৩। (১) এই অধিনিয়মৰ অধীনত মহাপ্ৰবন্ধক বা আয়ুক্তৰ আদেশত ক্ষুব্ধ হোৱা যিকোনো উদ্যমে ,৩০ দিনৰ ভিতৰত অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু

ৰাজহুৱা উদ্যম বিভাগৰ সচিবৰ ওচৰত প্ৰথম আপীল দাখিল কৰিব পাৰে আৰু বিহিত পদ্ধতিৰে আপীলটোৰ শুনানি লোৱা হ'ব।

(২) য'ত সচিবজনে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰথম আপীলৰ নিষ্পত্তি কৰাত ব্যৰ্থ হয় ,তেনে ক্ষেত্ৰত ক্ষতিগ্ৰস্ত উদ্যমটোৱে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যম বিভাগৰ জ্যেষ্ঠতম সচিবৰ সন্মুখত দ্বিতীয়খন আপীল দাখিল কৰিব পাৰে, আৰু এনে আপীল আবেদনৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত দ্বিতীয় আপীল নিষ্পত্তি কৰা হ'ব।

(৩) এই ধাৰাৰ অধীনত আপীলৰ নিষ্পত্তি নোহোৱালৈকে, যদিহে আপীল প্ৰাধিকাৰীয়ে জনসাধাৰণৰ সুৰক্ষা বা পৰিৱেশৰ প্ৰতি আসন্ন ভাবুকিৰ ভিত্তিত লিখিত ভাৱে কাৰণ দৰ্শাই অন্যথা নিৰ্দেশ নিদিয়ে, তেন্তে উদ্যমটোৱে ইয়াৰ কাৰ্যকলাপ অব্যাহত ৰখাৰ অধিকাৰ থাকিব ।

সদিচ্ছাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ সুৰক্ষা

১৪। এই অধিনিয়মৰ অধীনত সদিচ্ছাৰে কৰা বা কৰাৰ অভিপ্ৰায় কৰা কোনো কামৰ বাবে সেৱাৰ কোনো সদস্যৰ বিৰুদ্ধে কোনো মামলা, গোচৰ বা অন্যান্য আইনী কাৰ্য্যবাহ ৰুজু নহ'ব ।

বিষয়াসকল লোকসেৱক হ'ব

১৫। এই অধিনিয়মৰ উপবন্ধৰ অধীনত কাম কৰা প্ৰতিজন বিষয়াক ভাৰতীয় ন্যায় সংহিতা-ৰ উপ ২ৰ ধাৰা ২০২৩ ধাৰা ৰ অৰ্থৰ অন্তৰ্গত এজন লোকসেৱক বুলি গণ্য (২৮) কৰা হ'ব । ২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৪৫

অন্যান্য ৰাজ্যিক বিধিক অতিক্ৰম কৰা অধিনিয়ম

১৬। (১) তৎসময় বলবৎ থকা আন যিকোনো ৰাজ্যিক বিধিত ইয়াৰ সৈতে অসামঞ্জস্যপূৰ্ণ যিকোনো কথা থকা সত্ত্বেও, এই অধিনিয়মৰ উপবন্ধসমূহ প্ৰযোজ্য হ'ব।

(২) বিশেষতঃ আৰু এই অধিনিয়মৰ পূৰ্ববৰ্তী উপবন্ধৰ ব্যাপকতাত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, এনে উপবন্ধই নিম্নলিখিত অধিনিয়মসমূহত ইয়াৰ সৈতে যিকোনো অসামঞ্জস্যতা থকা স্বত্বেও প্ৰভাৱ পেলাব আৰু এই অধিনিয়মসমূহৰ উপবন্ধসমূহ এই অধিনিয়মৰ উপবন্ধসমূহৰ সৈতে সামঞ্জস্যপূৰ্ণভাৱে সংশোধিত বুলি পঢ়িব লাগিব, যথা-

(ক) অসম পঞ্চায়ত অধিনিয়ম, ১৯৯৪; ১৯৯৪ ৰ অসম অধিনিয়ম নং XVIII

(খ) অসম পৌৰসভা অধিনিয়ম, ১৯৫৬; ১৯৫৭ ৰ অসম অধিনিয়ম নং XV

(গ) অসম দোকান আৰু প্ৰতিষ্ঠান অধিনিয়ম, ২০২৫; ২০২৫ ৰ অসম অধিনিয়ম নং III

(ঘ) অসম অগ্নি সেৱা অধিনিয়ম, ২০২৫; ২০২৫ ৰ অসম অধিনিয়ম নং LIII

(ঙ) অসম গৃহ নিৰ্মাণ (বিনিয়ম) অধিনিয়ম, ২০১০। ২০১০ ৰ অসম অধিনিয়ম নং XVI

ডিজিটেল আন্তঃগাঁথনিৰ বাধ্যতামূলক প্ৰয়োগ

১৭। (১) এই অধিনিয়মৰ অধীনত সকলো অভিপ্ৰায়ৰ ঘোষণা, স্বীকৃতি প্ৰমাণপত্ৰ, স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰ আৰু যোগাযোগ একক খিৰিকীযুক্ত পৰ্টেলৰ জৰিয়তে প্ৰক্ৰিয়াকৰণ কৰা হ'ব, যিটো ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় একক খিৰিকীযুক্ত ব্যৱস্থাৰ সৈতে সংযুক্ত কৰা হ'ব।

(২) একক খিৰিকীযুক্ত পৰ্টেলটোৱে অভিপ্ৰায় ঘোষণা প্ৰক্ৰিয়াকৰণত গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপৰ সময়-মোহৰাংকিত কাৰ্য্যকলাপৰ ক্ৰমিক তথ্য সংগ্ৰহ ৰক্ষণাবেক্ষণ কৰি ৰাখিব । একক খিৰিকীযুক্ত পৰ্টেলটোৱে বিহিত ৰূপ আৰু পদ্ধতিৰে নিজৰ কৃত্যসমূহ সম্পাদন কৰিব।

আঁসোৱাহ আঁতৰোৱাৰ ক্ষমতা

১৮। যদি এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্যকৰী কৰাত কোনো অসুবিধা হয়, তেন্তে চৰকাৰে, চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত আদেশৰ দ্বাৰা এই অধিনিয়মৰ সৈতে অসঙ্গতিপূৰ্ণ নোহোৱা এনে উপবন্ধ প্ৰণীত কৰিব পাৰে যিবোৰ অসুবিধা আঁতৰোৱাৰ বাবে প্ৰয়োজনীয় যেন প্ৰতীত হয়:

পৰন্তু এই অধিনিয়মৰ প্ৰাৰম্ভণৰ তাৰিখৰ পৰা দুই বছৰৰ সময়সীমা শেষ হোৱাৰ পিছত এনে কোনো আদেশ দিয়া নহ'ব ।

নিয়ম প্ৰণয়নৰ ক্ষমতা

১৯। (১) এই অধিনিয়মৰ উপবন্ধসমূহ কাৰ্যকৰী কৰাৰ বাবে চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে নিয়ম প্ৰণয়ন কৰিব পাৰে।

(২) বিশেষকৈ আৰু পূৰ্ব্ৱৰ্তী ক্ষমতাৰ ব্যাপকতাত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ, নিম্নলিখিত সকলো বা যিকোনো বিষয়ৰ বাবে এনে নিয়মাৱলী উপবন্ধ কৰিব পাৰে, যথা:-

(ক) ধাৰা ৪ ৰ খণ্ড (V) ৰ অধীনত আয়ুক্তৰ ক্ষমতা আৰু কাৰ্য্যসমূহ;

(খ) ধাৰা ৫ ৰ উপ-ধাৰা (২) ৰ খণ্ড (V) ৰ অধীনত মহা প্ৰবন্ধকৰ ক্ষমতা আৰু কাৰ্য্যসমূহ;

(গ) ধাৰা ৬ ৰ উপ-ধাৰা (১) ৰ অধীনত উদ্যমে প্ৰদান কৰিবলগীয়া ঘোষণাৰ প্ৰ-পত্ৰ;

(ঘ) ধাৰা ৭ ৰ উপ-ধাৰা (৩) ৰ অধীনত স্বীকৃতি প্ৰমাণপত্ৰ বা স্বয়ংক্ৰিয় স্বীকৃতি প্ৰমাণপত্ৰৰ প্ৰ-পত্ৰ;

(ঙ) ধাৰা ১২ ৰ উপ-ধাৰা (২) ৰ অধীনত অপৰাধৰ আপোচৰ বাবে জৰিমনাৰ ৰীতি;

(চ) ধাৰা ১৩ ৰ উপ-ধাৰা (১) ৰ অধীনত প্ৰথম আপীলৰ শুনানিৰ পদ্ধতি;

(ছ) ধাৰা ১৮ ৰ উপ-ধাৰা (২) ৰ অধীনত একক খিৰিকীযুক্ত পৰ্টেলৰ কাৰ্য্যৰ প্ৰ-পত্ৰ আৰু পদ্ধতি;

(জ) আন যিকোনো বিষয় যিটো বিহিত করাটো প্ৰয়োজনীয় হয় বা হ'ব পাৰে।

বাতিল আৰু সংৰক্ষণ

২০। (১) অসম সূক্ষ্ম, লঘু আৰু মধ্যম উদ্যম (স্থাপন আৰু পৰিচালনাৰ সুবিধা) অধিনিয়ম, ২০২০ ক ইয়াৰ দ্বাৰা বাতিল কৰা হৈছে। ২০২০ চনৰ অসম অধিনিয়ম নং XIV

(২) এনে বাতিল সত্ত্বেও, বাতিল কৰা অধিনিয়মখনৰ অধীনত কৰা যিকোনো কাম বা গ্ৰহণ কৰা যিকোনো ব্যৱস্থা, এই অধিনিয়মৰ সংশ্লিষ্ট উপবন্ধৰ অধীনত কৰা বা লোৱা বুলি গণ্য কৰা হ'ব।

(৩) বাতিলকৃত অধিনিয়মৰ বাতিলে ইয়াৰ অধীনত আহৰণ কৰা, অৰ্জন কৰা বা উদ্ভৱ হোৱা কোনো অধিকাৰ, স্বত্ব, বিশেষাধিকাৰ, বাধ্যবাধকতা বা দায়বদ্ধতাক প্ৰভাৱিত নকৰিব আৰু ইয়াৰ সন্দৰ্ভত যিকোনো তদন্ত, আইনী কাৰ্য্যবাহ বা প্ৰতিকাৰ আৰম্ভ কৰিব পৰা যাব, অব্যাহত ৰাখিব পৰা যাব বা বলবৎ কৰিব পৰা যাব, যেন এই অধিনিয়মখন প্ৰণয়ন কৰা হোৱাই নাছিল।

**মেহবুবা বেগম,**
যুটীয়া সচিব (ভাৰপ্ৰাপ্ত সচিব), অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 857 - 50 + 10 - 14 - 08 - 2026. (visit at– dpns.assam.gov.in)